**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-01-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। G4 ৰাষ্ট্ৰগোষ্ঠীৰ সদস্য দেশসমূহে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ পুনৰ গঠনৰ বাবে শীঘ্ৰেই ব্যৱস্থা গ্ৰহণৰ আৰ্হি প্ৰস্তুত কৰি উলিয়াইছে।

২।¯ আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ছুইজাৰলেণ্ডৰ ডাভোচত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক মঞ্চৰ অধিৱেশনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ভূয়সী প্ৰশংসা কৰে।

৩। ভাৰত আৰু ইউৰোপীয় সংঘই নতুন দিল্লীত অহা সপ্তাহত হ'বলগীয়া ইউৰোপীয় সংঘ-ভাৰত শীৰ্ষ সন্মিলনত এখন নতুন নিৰাপত্তা আৰু প্ৰতিৰক্ষা অংশীদাৰিত্ব চুক্তিত স্বাক্ষৰ কৰিব।

৪। অসমত ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদৰ পৰা লাভ কৰা ভ্ৰাম্যমান ষ্ট্ৰোক গোটে ষ্ট্ৰোকৰ চিকিৎসা ক্ষেত্ৰত বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা কৰিছে।

আৰু

৫। ভাৰতৰ পি ভি সিন্ধু আৰু লক্ষ্য সেনে ইণ্ডোনেছিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০০০

G4 ৰাষ্ট্ৰগোষ্ঠীৰ সদস্য দেশসমূহে ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ পুনৰ গঠনৰ বাবে শীঘ্ৰেই ব্যৱস্থা গ্ৰহণৰ আৰ্হি প্ৰস্তুত কৰি উলিয়াইছে। ৰাষ্ট্ৰগোষ্ঠীটোৱে ৰাষ্ট্ৰসংঘৰ সৰ্বোচ্চ সিদ্ধান্ত গ্ৰহণকাৰী নিকায়টোৰ সংস্কাৰ সাধনত বিলম্ব হ'লে মানৱীয় সমস্যা সৃষ্টি হ'ব পাৰে বুলি সকীয়াই দিছে। ভাৰতৰ স্থায়ী প্ৰতিনিধি পি হৰিশে কালি আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউয়ৰ্কত থকা ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত নিৰাপত্তা পৰিষদৰ সংস্কাৰ সম্পৰ্কীয় আন্তঃ চৰকাৰী আলোচনাত G4 ৰাষ্ট্ৰগোষ্ঠীৰ হৈ এইদৰে প্ৰকাশ কৰে। ভাৰত, ব্ৰাজিল, জাৰ্মানী আৰু জাপানক লৈ গঠিত G4 ৰাষ্ট্ৰগোষ্ঠীয়ে নিৰাপত্তা পৰিষদৰ সংস্কাৰৰ পোষকতা কৰি আহিছে আৰু স্থায়ী সদস্য পদৰ বাবে পৰস্পৰৰ সমৰ্থন কৰি আহিছে। আলোচনাত শ্ৰী হৰিশে কয়, যে বিশ্বত চলি থকা সংঘৰ্ষৰ বাবে প্ৰতিদিনে অসংখ্য নিৰিহ লোকে প্ৰাণ হেৰুৱাবলগীয়া হৈছে আৰু এনে পৰিস্থিতিত বিশ্ব সম্প্ৰদায়ে সমূহীয়াভাৱে প্ৰতিটো ক্ষণৰ সদ্ব্যৱহাৰ কৰা উচিত। তেওঁ কয়, যে সংঘৰ্ষ ৰোধৰ ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ ব্যৰ্থতাৰ বাবে সংস্থাটোৰ বিশ্বাসযোগ্যতা আৰু ফলপ্ৰসূতাক লৈ প্ৰশ্ন উত্থাপিত হৈছে। শ্ৰী হৰিশে সকলো শ্ৰেণী আৰু ভৌগোলিক অঞ্চলক সামৰি লৈ নিৰাপত্তা পৰিষদৰ সংস্কাৰৰ বাবে G4 ৰাষ্ট্ৰগোষ্ঠীৰ আৰ্হি উপস্থাপন কৰে। সেই অনুসৰি নিৰাপত্তা পৰিষদৰ সদস্য সংখ্যা বৰ্তমানৰ ১৫ৰ পৰা ২৫ বা ২৬ লৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ দিয়া হৈছে। এই সদস্য ৰাষ্ট্ৰসমূহৰ ভিতৰত ছখন দেশক স্থায়ী সদস্য হিচাপে অন্তৰ্ভুক্ত কৰাৰো পোষকতা কৰা হৈছে। স্থায়ী সদস্য ৰাষ্ট্ৰসমূহৰ ভিতৰত আফ্ৰিকীয় অঞ্চলৰ দুখন, এছিয়া-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ দুখন আৰু লেটিন আমেৰিকা তথা পশ্চিম ইউৰোপৰ একোখনকৈ দেশক অন্তৰ্ভুক্ত কৰা

উচিত বুলি তেওঁ মন্তব্য কৰে। G4 ৰাষ্ট্ৰগোষ্ঠীয়ে ধৰ্মৰ ভিত্তিত নতুন সদস্যপদ সৃষ্টি কৰাৰো বিৰোধিতা কৰে।

০০০০০০০০০

আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ছুইজাৰলেণ্ডৰ ডাভোচত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক মঞ্চৰ অধিৱেশনত প্ৰধানমন্ত্ৰী মোদীক ভূয়সী প্ৰশংসা কৰে। শ্ৰী মোদীক ঘনিষ্ঠ বন্ধু বুলি অভিহিত কৰি আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰত আৰু আমেৰিকাৰ মাজত বাণিজ্যিক চুক্তি সম্পাদন হ'ব বুলি আশা প্ৰকাশ কৰে। ৱাশ্বিংটন আৰু নতুন দিল্লী মহলে বাণিজ্যিক চুক্তিৰ ক্ষেত্ৰত দেখা দিয়া গতিৰোধ দূৰ কৰাৰ বাবে আলোচনা চলি থকাৰ সময়তে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কৰা এই মন্তব্যই বিশেষ তাৎপৰ্য বহন কৰিছে। দুয়োখন দেশৰ মাজত ব্যৱসায়িক সম্পৰ্কৰ ক্ষেত্ৰত দেখা দিয়া অচলাৱস্থা সত্ত্বেও শ্ৰী ট্ৰাম্পে কৰা এই মন্তব্যই ইতিবাচক সংকেত বহন কৰিছে। সম্ভাব্য ব্যৱসায়িক চুক্তি সম্পৰ্কে সোধা প্ৰশ্নৰ উত্তৰত আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে ভাৰত আৰু আমেৰিকাৰ মাজত গুৰুত্বপূৰ্ণ চুক্তি হ'বলৈ ওলাইছে।

০০০০০০০০

বিগত দশকত বিকাশ আৰু ব্যাপক ৰাজহুৱা ডিজিটেল আন্তঃগাঁথনিৰ বলত বিকাশশীল মৰ্যাদাৰ পৰা গুৰুত্বপূৰ্ণ গোলকীয় অৰ্থনৈতিক শক্তিৰূপে ভাৰতৰ ৰূপান্তৰ ঘটিছে। কেন্দ্ৰীয় অসামৰিক বিমান পৰিবহণ মন্ত্ৰী কে ৰামমোহন নাইডু আৰু গুজৰাটৰ উপ-মুখ্যমন্ত্ৰী হৰ্ষ ছাংভিয়ে কালি ছুইজাৰলেণ্ডৰ ডাভোছত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক মঞ্চৰ বাৰ্ষিক সন্মিলনত এই কথা প্ৰকাশ কৰে। শ্ৰীনাইডুৱে কয় যে ভাৰত সম্প্ৰতি গোলকীয় অৰ্থনৈতিক শৃংখলাৰ বাবে অপৰিহাৰ্য হৈ পৰিছে আৰু দেশখনক এতিয়া আৰু বিকাশশীল অৰ্থব্যৱস্থাৰূপে পৰিভাষতি কৰিব পৰা নাযায়। তেওঁ কয় যে ভাৰত আস্থা, আৰোহণ আৰু উদ্ভাৱনৰ সংগমস্থলীত থিয় হৈ আছে। ডিজিটেল পৰিচয়, বাস্তৱিক সময়ভিত্তিক ধনাদায় প্ৰণালী আৰু সন্মতি ভিত্তিক তথ্য শ্বায়ৰৰ দৰে ব্যৱস্থাই ভাৰতীয় অৰ্থ ব্যৱস্থাক উপকৃত কৰা বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০০০০০

ভাৰত আৰু ইউৰোপীয় সংঘই নতুন দিল্লীত অহা সপ্তাহত হ'বলগীয়া ইউৰোপীয় সংঘ-ভাৰত শীৰ্ষ সন্মিলনত এখন নতুন নিৰাপত্তা আৰু প্ৰতিৰক্ষা অংশীদাৰিত্ব চুক্তিত স্বাক্ষৰ কৰিব। ইয়াৰ জৰিয়তে ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজৰ কৌশলগত সম্পৰ্ক সুদৃঢ় হ'ব। ইউৰোপীয় সংঘৰ বৈদেশিক নীতিৰ মুৰব্বী কাজা কালাছে কালি সন্ধিয়া ফ্ৰান্সৰ ইউৰোপীয় সংসদত ভাষণ দিয়াৰ সময়ত এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে এই চুক্তিয়ে ভাৰত-প্ৰশান্ত মহাসাগৰীয় খণ্ডত স্থিৰতা অনাৰ ক্ষেত্ৰত গুৰুত্ব দিয়াৰ লগতে সামুদ্ৰিক নিৰাপত্তা, সন্ত্ৰাসবাদ বিৰোধী কাম-কাজ, চাইবাৰ প্ৰতিৰক্ষাকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ খণ্ডত সহযোগিতা সুদৃঢ় কৰিব। শ্ৰীমতী কালাছে ইউৰোপীয় সংঘক ভাৰতৰ সৰ্ববৃহৎ বাণিজ্য অংশীদাৰ সমূহৰ অন্যতম বুলি উল্লেখ কৰি কয় যে এই চুক্তিয়ে বৰ্ধিত গোলকীয় অস্থিৰতাৰ সমাধান আৰু নিয়ম আধাৰিত আন্তঃৰাষ্ট্ৰীয় ব্যৱস্থা সমূহৰ সুৰক্ষাৰ ক্ষেত্ৰত দুয়োখন দেশৰ প্ৰতিশ্ৰুতিবদ্ধতাকে প্ৰতিফলিত কৰিছে।

নিৰাপত্তা আৰু প্ৰতিৰক্ষা অংশীদাৰিত্বৰ উপৰি ইউৰোপীয় সংঘ আৰু ভাৰতে গতিশীলতা সন্দৰ্ভত সহযোগিতাৰ বাবে বিস্তৃত পৰিকাঠামোৰ এখন বুজাবুজিৰ চুক্তি সমাপ্ত কৰিবলৈ সাজু হৈছে। ইউৰোপীয় সংঘই লগতে মুক্ত বাণিজ্য চুক্তি সন্দৰ্ভত দীৰ্ঘদিনীয়া আলোচনাৰ অন্ত পেলোৱাৰ বাবেও সাজু হৈছে বুলি শ্ৰীমতি কালাছে প্ৰকাশ কৰে।

উল্লেখযোগ্য যে ইউৰোপীয় আয়োগৰ সভাপতি উৰ্চুলা ভন ডেৰ লেয়েন আৰু ইউৰোপীয় পৰিষদৰ সভাপতি এণ্টনিঅ' কোষ্টাৰ অহা সপ্তাহত ভাৰত ভ্ৰমণৰ সময়তে এই অংশীদাৰিত্বৰ চুক্তিত স্বাক্ষৰ কৰা হ'ব। দুয়োগৰাকী নেতা গণৰাজ্য দিৱসৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তেওঁলোকে ২৭ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে যোড়শ ভাৰত-ইউৰোপীয় সংঘ সন্মিলনত সহ-অধ্যক্ষতা কৰিব।

ooooooooo

অসমত ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদৰ পৰা লাভ কৰা ভ্ৰাম্যমান ষ্ট্ৰোক গোটে ষ্ট্ৰোকৰ চিকিৎসা ক্ষেত্ৰত বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা কৰিছে। এই উদ্যমৰ ফলত চিকিৎসাৰ সময় ২৪ ঘণ্টাৰ পৰা দুঘণ্টালৈ হ্ৰাস পাইছে আৰু ষ্ট্ৰোকৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা এক তৃতীয়াংশ হ্ৰাস পাইছে। একেদৰে ষ্ট্ৰোকত পৰি হোৱা বিকলাংগতা ৮ গুণ হ্ৰাস পাইছে। ভ্ৰাম্যমান ম'বাইল ষ্ট্ৰোক গোটে ৰাজ্যৰ দূৰণিবটীয়া এলেকাৰ ৰোগীসকলক ক্ষিপ্ৰ সাহায্য আৰু চিকিৎসা প্ৰদানৰ পথ প্ৰশস্ত কৰিছে। ভ্ৰাম্যমান ষ্ট্ৰোক গোটসমূহ একপ্ৰকাৰৰ ভ্ৰাম্যমান চিকিৎসালয় আৰু এই চিকিৎসালয় চিটি স্কেনাৰ, বিশেষজ্ঞৰ সৈতে দূৰ-সংযোগ ব্যৱস্থাৰে চিকিৎসা গ্ৰহণৰ সুবিধা, ক্ষুদ্ৰ পৰীক্ষাগাৰ আৰু ৰক্ত নলীকাৰ ব্লকেজ খোলাৰ ঔষধেৰে সু-সজ্জিত। ভ্ৰাম্যমান ষ্ট্ৰোক ইউনিটৰ জৰিয়তে ৰোগীসকলক নিজৰ ঘৰতে বা ওচৰৰ এলেকাত ষ্ট্ৰোকৰ ক্ষিপ্ৰ চিকিৎসা প্ৰদান কৰিব পৰা যায়। ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদৰ সঞ্চালক প্ৰধান তথা স্বাস্থ্য গৱেষণা বিভাগৰ সচিব ডাঃ ৰাজীৱ বহলে কয়, যে ভাৰত ষ্ট্ৰোকত আক্ৰান্ত ৰোগীসকলক এনেধৰণৰ চিকিৎসা সুবিধা আগবঢ়োৱা বিশ্বৰ দ্বিতীয়খন দেশ।

ooooooooo

ৰাষ্ট্ৰপতি ভৱনৰ চৌহদৰ ভিতৰত থকা অমৃত উদ্যান অহা ৩ ফেব্ৰুৱাৰীৰ পৰা ৩১ মাৰ্চলৈ জনসাধাৰণৰ বাবে মুকলি কৰি দিয়া হ'ব। ৰাষ্ট্ৰপতিৰ সচিবালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে পুৱা ১০ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ এই অমৃত উদ্যান খোলা থাকিব। প্ৰতি দেওবাৰে উদ্যানখন বন্ধ থাকিব। জনসাধাৰণে বিনামূলীয়াকৈ উদ্যানত প্ৰৱেশ কৰিব পাৰিব। তদুপৰি ***visit.rashtrapatibhavan.gov.in*** ৱেবচাইটৰ জৰিয়তে আগতীয়াকৈ টিকট বুক কৰিব পাৰিব।

ooooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে স্বাধীনতা যুঁজাৰু ঠাকুৰ ৰোশন সিঙৰ জন্ম বাৰ্ষিকীত শ্ৰদ্ধা নিবেদন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী শ্বাহে কয় যে অদম্য সাহস আৰু বিৰত্বৰ ঠাকুৰ ৰোশন সিঙে ব্ৰিটিছ শাসনৰ ভেটি কপাই তুলাৰ লগতে যুৱক সকলক সশস্ত্ৰ বিপ্লৱৰ বাবে অনুপ্ৰাণিত কৰিছিল। তেওঁ উল্লেখ কৰে যে, কাকৰি ৰে'ল ষড়যন্ত্ৰৰ জৰিয়তে মহান স্বাধীনতা যুঁজাৰুগৰাকীয়ে দেশৰ সম্পদসমূহ ব্ৰিটিছে লুটি নিয়াৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছিল। মাতৃ ভূমিৰ সুৰক্ষাৰ ক্ষেত্ৰত ৰোশন সিঙৰ ত্যাগে প্ৰতিগৰাকী ভাৰতীয়ক অনুপ্ৰাণিত কৰি আহিছে বুলি গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ooooooooo

ঝাৰখণ্ডৰ পশ্চিম সিংভূম জিলাৰ সাৰন্দা বনাঞ্চলত আজি পুৱা সুৰক্ষা বাহিনী আৰু মাওবাদীৰ মাজত সংঘৰ্ষ হয়। কোব্ৰা, ঝাৰখণ্ড জগুৱাৰ আৰু জিলা আৰক্ষী এটা যৌথ দলে চলোৱা তালাচী অভিযানৰ সময়ত ছোটানাগ্ৰা থানা এলেকাত এই সংঘৰ্ষৰ সূত্ৰপাত হয়। প্ৰাৰম্ভিক তথ্য অনুসৰি এই সংঘৰ্ষত কেইজনমান মাওবাদী হতাহত হোৱাৰ আশংকা কৰা হৈছে। সংঘৰ্ষৰ পাছতে অঞ্চলটোত আত্মগোপন কৰি থকা

মাওবাদীকেইজন বনাঞ্চল আৰু পাহাৰীয়া এলেকালৈ পলায়ন কৰে। সুৰক্ষা বাহিনীয়ে আমালৈ বাতৰি অহা পৰলৈ অঞ্চলটোত তালাচী চলাই আছিল।

০০০০০০০০০

ভাৰতৰ পি ভি সিন্ধু আৰু লক্ষ্য সেনে ইণ্ডোনেছিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। লক্ষ্য সেনে আজি পুৰুষৰ ছিংগল্‌ছৰ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত চীনৰ জেছন গুণাৱানক ২১-১০, ২১-১১ পোনপটীয়া গেমত পৰাভূত কৰে। একেদৰে পি ভি সিন্ধুৱে মহিলাৰ প্ৰি কোৱাৰ্টাৰ ফাইনেলত ডেনমাৰ্কৰ হোজমাৰ্ক কেজেৰফেলড্‌টক ২১-১৯, ২১-১৮ গেমত পৰাস্ত কৰে। সিন্ধু কোৱাৰ্টাৰ ফাইনেলত চীনৰ চেন য়ু ফেইৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

০০০০০০০০০

সমাপ্ত